# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-01-2025
**Time :** 18-00 Hrs

***Assamese Evening Bulletin***
**:::::::::::::::::::::::::::::::**

কৃষিমন্ত্ৰী অতুল বৰাই আজি যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত আয়োজিত আঞ্চলিক কৃষক মেলা ২০২৫ আনুষ্ঠানিকভাৱে মুকলি কৰে। কৃষিমন্ত্ৰী শ্ৰীবৰাই লগতে মেলাৰ লগত সংগতি ৰাখি আয়োজন কৰা প্ৰদৰ্শনীৰ দ্বাৰো মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কৃষক, কৃষি উদ্যমীসকলৰ সৈতে মত বিনিময় কৰে। কৃষি খণ্ডলৈ অহা জলবায়ু পৰিৱৰ্তনৰ প্ৰত্যাহ্বানকে ধৰি মাটি, পানীকে ধৰি পৰিবেশ সংক্ৰান্তীয় আন সমস্যাসমূহ নেওচি কৃষি খণ্ডৰ উন্নয়নৰ বাবে কাম কৰি যাবলৈ তেওঁ সকলোকে আহ্বান জনায়। উত্তৰ পূৰ্বাঞ্চলত কৃষিভিত্তিক অৰ্থনীতি শক্তিশালী কৰাৰ ওপৰতো কৃষিমন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। প্ৰতিকূল পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ কৃষি বিশ্ববিদ্যালয়খনৰ উদ্ভাৱনী চিন্তা আৰু গৱেষণাৰো তেওঁ পোষকতা কৰে। ভাষণ প্ৰসংগত তেওঁ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে গ্ৰহণ কৰি অহা বিভিন্ন কল্যানকামী পদক্ষেপ আৰু কৃষিখণ্ডৰ সম্ভাৱনাৰ বিভিন্ন দিশ আলোকপাত কৰে। অনুষ্ঠানত সাংসদ কামাখ্যা প্ৰসাদ টাছা, অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডঃ বিদ্যুৎ চন্দন ডেকা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ অধ্যক্ষতাত আজি ৰাজ্যসমূহৰ কৃষিমন্ত্ৰীসকলৰ এখন বিশেষ পৰ্যালোচনা বৈঠক ভিডিঅ' কনফাৰেন্সযোগে অনুষ্ঠিত হয়। এই বৈঠকত কৃষি মন্ত্ৰী অতুল বৰাই ভিডিঅ' কনফাৰেন্সযোগে যোৰহাটৰ পৰা অংশগ্ৰহণ কৰে। বৈঠকত সমাগত সংসদৰ অধিবেশনত উত্থাপন হ'বলগীয়া কেন্দ্ৰীয় বাজেটত সন্নিবিষ্ট কৰিব পৰাকৈ দেশৰ কৃষিখণ্ডৰ বিভিন্ন দিশ আলোচনা কৰা হয়। মন্ত্ৰী শ্ৰীবৰাই এই বৈঠকত ৰাজ্যখনৰ কৃষি, উদ্যানশস্যৰ প্ৰধান সমস্যাৰ বিষয়টো অৱগত কৰে। বিশেষকৈ হাতী, বান্দৰৰ উপদ্ৰৱৰ বিষয়টো তেওঁ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অৱগত কৰে। এই সমস্যাৰ সন্মুখীন হৈ অহা ৰাজ্যখনৰ কৃষকসকলক প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ জৰিয়তে সকাহ প্ৰদানৰ ব্যৱস্থা আৰু কীটনাশক পৰীক্ষণ কেন্দ্ৰ স্থাপন কৰিবলৈ তেওঁ অনুৰোধ জনায়।

০০০০

শিৱসাগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অশ্বিনী দলেৰ বাসগৃহ আৰু কাৰ্যালয়ত আজি মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে অভিযান চলায়। বিষয়াগৰাকীৰ চৰকাৰী বাসগৃহ আৰু শিৱসাগৰ জিলা পৰিষদৰ কাৰ্যালয়ত এই অভিযান চলোৱা হৈছিল। মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ উপ আৰক্ষী অধীক্ষকৰ নেতৃত্বত শিৱসাগৰ আৰক্ষীৰ সহযোগত মুখ্য কাৰ্যবাহী বিষয়াগৰাকীৰ বিৰুদ্ধে চলোৱা অভিযানৰ কাৰণ জনোৱাৰ পৰা আৰক্ষী বিৰত আছে।

০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই কাইলৈ তিনিচুকীয়া জিলা ভ্ৰমণ কৰিব। তেওঁ তাত বিয়লি জিলা আয়ুক্ত কাৰ্যালয়ত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছতে, ৰাজ্যপালগৰাকীয়ে সংবাদ মাধ্যমৰ কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব বুলি আমাৰ তিনিচুকীয়াৰ সংবাদ দাতাই জনাইছে।

০০০০

তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাৰ ৰাজহ চক্ৰৰ উদ্যোগত উত্তৰ মাৰ্ঘেৰিটা ৰংগমঞ্চত আজি মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ কাৰ্যসূচীৰ সন্দৰ্ভত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। সভাত উপস্থিত থাকি জিলা আয়ুক্ত স্বপ্নীল পালে উপস্থিত ৰাইজক মিছন বসুন্ধৰা কাৰ্যসূচী সন্দৰ্ভত বহলাই কয়। তেওঁ খিলঞ্জীয়া স্থায়ী বাসিন্দাসকলে নিজে বসবাস কৰা ভূমিৰ পট্টা লাভ কৰা বিধি ব্যৱস্থাসমূহৰ বিষয়ে সকলোকে অৱগত কৰে। সভাত মাৰ্ঘেৰিটা সম জিলাৰ আয়ুক্ত পৰীক্ষিত থাউদাং, ৰাজহ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত আয়ুক্ত লীনা পাৰে আদিও উপস্থিত থাকে।

০০০০

আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰত স্থাপন কৰা ১০ কিলোৱাট শক্তি সম্পন্ন নতুন এফ এম ট্ৰান্সমিটাৰৰ পৰা অনুষ্ঠান প্ৰচাৰ আৰম্ভ হৈছে। এফ এম বেণ্ডৰ ১০২ মেগাহাৰ্টজত এই ট্ৰান্সমিটাৰৰ পৰা প্ৰচাৰিত উন্নত মানৰ অনুষ্ঠান কোকৰাঝাৰৰ লগতে ধুবুৰী, বঙাইগাঁও, গোৱালপাৰা আৰু চিৰাং জিলাৰ শ্ৰোতাসকলে শুনিবলৈ সমৰ্থ হৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত ভিডিঅ' কনফাৰেঞ্চিঙৰ জৰিয়তে আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ এফ এম ট্ৰান্সমিটাৰ আনুষ্ঠানিকভাৱে ৰাইজৰ সেৱাত উৎসৰ্গা কৰে। এই নতুন এফ এম ট্ৰান্সমিটাৰৰ সংযোজনে অঞ্চলটোৰ ৰাইজক কেনেদৰে উৎসাহিত কৰিছে সেই বিষয়ে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰ কৰিব।

শ্ৰোতাসকলে আমাৰ এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্ট্জত শুনিব পাৰিব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত ছিডনীত অনুষ্ঠিত শৃংখলাৰ পঞ্চম তথা অন্তিম টেষ্টখন আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে। টেষ্টখনৰ আজি দ্বিতীয় দিনাৰ সামৰণিত ভাৰতে দ্বিতীয় ইনিংছত ৬টা উইকেট হেৰুৱাই ১৪১ ৰাণ সংগ্ৰহ কৰিছে। ভাৰতীয় দলটো পুনৰ প্ৰাৰম্ভিক বেটিং বিপৰ্যয়ৰ সন্মুখীন হোৱাৰ মাজতে উইকেটৰক্ষক বেটাৰ ঋষভ পণ্টে বিস্ফোৰক বেটিং প্ৰদৰ্শন কৰে। পণ্টে ৩৩ টা বলত ৬১ ৰাণ কৰি আউট হোৱাৰ পাছত দিনান্তত ৰবীন্দ্ৰ জাদেজাই ৮ আৰু ৱাশ্বিংটন সুন্দৰে ৬ ৰাণ কৰি খেলি আছে। বিৰাট কোহলী আৰু কে এল ৰাহুল পুনৰ ব্যৰ্থ হয়। অষ্ট্ৰেলিয়াৰ হৈ স্কট বলাণ্ডে ৪ টা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথম ইনিংছত কৰা ১৮৫ ৰাণৰ প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছ ১৮১ ৰাণত সামৰণি পৰে। অষ্ট্ৰেলিয়াৰ হৈ বিঅ' ৱেবষ্টাৰে সৰ্বাধিক ৫৭ আৰু ষ্টিভেন স্মীথে ৩৩ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ মহম্মদ চিৰাজ আৰু প্ৰসিদ্ধ কৃষ্ণই ৩ টাকৈ উইকেট দখল কৰাৰ লগতে ভাৰপ্ৰাপ্ত অধিনায়ক যশপ্ৰীত বুমৰাই দুটা উইকেট দখল কৰে।

০০০০

সমাপ্ত